# লোকনাট্যধৰ্মী অনুষ্ঠান ভাৰীগান আৰু খুলীয়া ভাউৰীয়া ঃ এটি অধ্যয়ন

পুৰৱী বড়ো
মনোমতী বড়ো

অসমৰ লোকনাট্যানুষ্ঠানসমূহ অসমীয়া জাতিৰ এক আপুৰুগীয়া সম্পদ। অতি প্ৰাচীন কালৰে পৰা লোকনাট্যানুষ্ঠানসমূহ অসমীয়া জনসমাজত প্ৰচলিত হৈ আহিছে। লোক নাট্যানুষ্ঠানসমূহে স্বকীয় বৈশিষ্ট্যৰে গ্ৰাম্যজীৱনৰ সাংস্কৃতিক ঐতিহ্য ৰক্ষা কৰি আহিছে।

আমাৰ প্ৰস্তাৱিত আলোচনা পত্ৰ মুখ্য আলোচ্য বিষয় ঃ লোকনাট্যধৰ্মী অনুষ্ঠান ভাৰীগান আৰু খুলীয়া ভাউৰীয়া ঃ এটি অধ্যয়ন।

পুতলা নাচ, ওজাপালি আৰু ঢুলীয়াৰ পাছতেই অসমৰ দুটি বিশিষ্ট লোকনাট্যানুষ্ঠান হৈছে ভাৰীগান আৰু খুলীয়া ভাউৰীয়া। 'ভাৰীগান' হ'ল অসমৰ এটি পুৰণি লোক ভাওনা।ইয়াক 'ভাওগান' নামেৰেও জনা যায়। ভাৰীগান বিশেষকৈ নামনি অসমৰ দক্ষিণ গোৱালপাৰা আৰু পশ্চিম কামৰূপ অঞ্চলত প্ৰচলিত। ভাৰীগান ৰামায়ণ আৰু মহাভাৰতৰ আখ্যান আধাৰিত। বৰ্তমান ভাৰীগান মৃতপ্ৰায় অৱস্থাত। এসময়ত ভাৰীগানে অসমীয়া লোকনাট্যানুষ্ঠানলৈ এক গুৰুত্বপূৰ্ণঅৱদান আগবঢ়াইছিল। মৃতপ্ৰায় এই ভাৰীগান বৰ্তমান ৰাভাসকলৰ মাজতহে কিছু সংৰক্ষিত বুলি জনা যায়। মুখাৰ ব্যৱহাৰ ভাৰীগানৰ অপৰিহাৰ্য অংগ। এই মুখাবোৰ কাঠেৰে তৈয়াৰী । মুখাপিন্ধি নাচগান কৰাটো ইয়াৰ এটা প্ৰধান বৈশিষ্ট্য।

দৰঙৰ এক উল্লেখযোগ্য লোকনাট্যানুষ্ঠান হৈছে খুলীয়া ভাউৰীয়া। খুলীয়া ভাউৰীয়া দৰঙৰ জনসাধাৰণৰ আটাইতকৈ জনপ্ৰিয় অনুষ্ঠান ।খুলীয়া শব্দটো খোলৰ আধিক্যৰ ফলত ঈয়া প্ৰত্যয় সংযোগ হৈ নিষ্পত্তি হৈছে। ই এক পৰিপূৰ্ণ নাট্যানুষ্ঠান। খুলীয়া ভাউৰীয়াত মুখাৰ লগতে খোল বাদনৰ ব্যৱহাৰ অপৰিহাৰ্য। ইয়াৰ কাহিনী ৰামায়ণ মহাভাৰতৰ পৰা বুটলি অনা হয় যদিও বিশেষকৈ বধকাব্যসমূহৰ আধাৰতহে ৰচিত ।

আমাৰ প্ৰস্তাৱিত আলোচনা-পত্ৰত উক্ত লোকনাট্যানুষ্ঠান দুটিৰ বিষয়ে বিতং আলোচনা আগবঢ়োৱা হ'ব।●●●●

# গোৱালপাৰা জিলাৰ লোকনাট্যৰ এক সমীক্ষাত্মক অধ্যয়নঃ ভাৰীগান আৰু কুশান গানৰ উল্লিখনসহ

**ড° কুলেন্দু নাথ**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
**ড° স্নিগ্ধা দাস নাথ**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, বিকালী মহাবিদ্যালয়, ধূপধৰা

লোকনাট্য লোকসমাজৰ দ্বাৰা ৰচিত কলা। লোকসমাজত প্ৰচলিত বিষয় বা ঘটনাহে লোকশিল্পীসকলে নাট্যৰূপ দিয়ে। তদুপৰি ই একক সৃজন কলা নহয়, ই সমবেত প্ৰচেষ্টাৰহে ফলস্বৰূপ। লোকনাট্যৰ বিষয়বস্তু হ'ল লোকজীৱন আশ্ৰিত। লোকনাট্যৰ কাহিনী কোনো ক্ষেত্ৰত ধৰ্মীয় ভাবপ্ৰধান বা ধৰ্মনিৰপেক্ষ হোৱা দেখা যায়। চৰিত্ৰানুযায়ী সংলাপ, লোকগীত, লোকনৃত্য ইত্যাদি ইয়াৰ অৱলম্বন।

ইতিহাসে ঢুকি নোপোৱা দিনত পূবৰ দিক্কৰ বাসনীৰ পৰা পশ্চিমে কৰতোৱা নৈলৈকে এই বিশাল ভূমিখণ্ড একালত প্ৰাগজ্যোতিষপুৰ নামে জনাজাত। এই ভূখণ্ড ৰত্নপীঠ, কামপীঠ, সুৱৰ্ণপীঠ আৰু সৌমাৰপীঠ নামেৰে চাৰিটা ভাগত বিভক্ত আছিল। অবিভক্ত গোৱালপাৰা জিলাখন ৰত্নপীঠৰ অন্তৰ্ভূক্ত। জিলাখনত থকা লোকনাট্য পৰম্পৰা ভাৰতবৰ্ষৰ ভিতৰতে এক উল্লেখযোগ্য পৰম্পৰা। এই নাট্য পৰম্পৰা হৈছে গোৱালপাৰাবাসীৰ জন মানসৰ পৰা নিগৰি ওলোৱা এটি চিৰস্ৰোঁত; গ্ৰামীণ জীৱনক ৰঙাই তোলাৰ এক আদিম প্ৰচেষ্টা। ইয়াত প্ৰকাশ পাইছে গঞা সমাজৰ হৰ্ষ, বিষাদ, সুখ-দুখ, বিৰহ-মিলন, লোকচিন্তাৰ অভিব্যক্তি আৰু জীয়াই থকাৰ এক অভীপ্সা। জিলাখনত অনুষ্ঠিত কুশান গান, খাৰাতাল বা দোতৰা গান, ভাৰীগান বা ভাওগান আনহাতে অৰ্দ্ধনাটকীয় লোকনাট্যানুষ্ঠানত অন্তৰ্ভূক্ত পদ্মাপুৰাণ গান, মাৰে গান, ভাসান যাত্ৰা, বাঁশী পুৰাণ গান, কাতি পূজা, সোণাৰায় গীত, ৰূপবান গান ইত্যাদি উল্লেখযোগ্য। এই সমস্ত নাট্যানুষ্ঠাসমূহৰ ভিতৰত কুশান গান আৰু ভাৰীগান হ'ল বলিষ্ঠ লোকনাট্যানুষ্ঠান।

পশ্চিম অসমৰ লোক-সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ হ'ল 'কুশান গান'। ইয়াৰ কাহিনীভাগ বঙলা কীৰ্তিবাসী ৰামায়ণৰ পৰা লোৱা দেখা যায়। ইয়াৰ পালাসমূহৰ নাম হৈছে 'লক্ষণেৰ শক্তিশেল' , 'মইৰাৱণ বধ', 'হৰিশ্চন্দ্ৰেৰ দান' ইত্যাদি। ই এক দলীয় পৰম্পৰা। দলটিত ২০/২৫ জন শিল্পী থাকে। গীদাল বা কুশানীয়ে গানৰ প্ৰধান হিচাপে সূত্ৰধাৰৰ ভূমিকা গ্ৰহণ কৰে। গীতৰ কাহিনীভাগ আগবঢ়াই নিয়াৰ ক্ষেত্ৰত বামা গীদাল বা বাওৱাই আৰু দোহাৰীয়ে সহায় কৰে। 'খোল' আৰু 'বেনা' ইয়াৰ প্ৰধান বাদ্যযন্ত্ৰ। কুশান গানৰ কাহিনী ভাগ ক্ৰমান্বয়ে খোলবন, বন্দনা, জপসাল,

সং বা দ্ধ্যাসা আৰু খোলাভাঙাৰে সামৰণি মাৰে।

গোৱালপাৰা জিলাৰ 'ভাৰীগান' অন্যতম জনজাতীয় লোকনাট্যানুষ্ঠান। ইয়াত ৰামায়ণ বা মহাভাৰতৰ কাহিনী নাট্যৰূপ দিয়ে। 'ৰাৱণ বধ', 'মইৰাৱণ বধ', 'সীতাহৰণ', 'মেঘনাথ বধ', 'ঘটোৎকচ বধ', ইত্যাদি ভাৰীগানৰ উল্লেখযোগ্য পালা। বন্দনা গীত, নাট্যকাহিনী গীত, বহুৱালি গীত, শেষ পর্যায়ৰ গীতে কাহিনী আগবঢ়াই লৈ গৈ থাকে। ভাৰীগানৰ এটি বিশেষ দিশ হ'ল মুখাৰ ব্যৱহাৰ। মুখাবোৰ একো একোজন বীৰৰ হুবহু মুখৰ আকৃতি কাটি তৈয়াৰ কৰা হয়।

লোকসংস্কৃতিৰ আপুৰুগীয়া সম্পদ 'ভাৰীগান' আৰু 'কুশান গান' কালৰ গৰ্ভত হেৰাইযোৱা সম্ভাৱনাই দেখা দিছে। ইয়াক ৰক্ষা কৰাটো আমাৰ সকলোৰে কৰ্তব্য।●●●●

# নামনি অসমৰ লোক নাট্যানুষ্ঠান কোৰ্কা ঢুলীয়া (বস্তাপাৰ্টী) ঃ ইয়াত প্ৰতিফলিত লোক সমাজ আৰু সংস্কৃতি

বুলুমণি ৰাভা (এম.ফিল ছাত্ৰী)
লোক সংস্কৃতি গৱেষণা কেন্দ্ৰ
গুৱাহাটী বিশ্ববিদ্যালয়।

নামনি অসমৰ অবিভক্ত গোৱালপাৰা আৰু কামৰূপ জিলাৰ জনজাতীয় সমাজত বিশেষকৈ ৰাভাসকলৰ মাজত অতীজৰে পৰা কোৰ্কা ঢুলীয়া নামৰ নাট্যানুষ্ঠানৰ প্ৰচলন হৈ আহিছে। লোক সমাজত ই ইমানেই জনপ্ৰিয় যে সৰ্বসাধাৰণ ৰাইজে ইয়াক বস্তাপাৰ্টী বুলিহে কয়। এই অনুষ্ঠানৰ ভাউৰীয়াসকল বিশেষকৈ কৌতুক অভিনেতাসকলে বস্তাৰে নিৰ্মিত জলম, সাজপাৰ আদি পৰিধান কৰে বাবে ই বস্তাপাৰ্টী নামে পৰিচিত। আনহাতে ঢুলীয়াসকলে কোৰ্কা নামেৰে ঢোল (জয় ঢোল/বৰ ঢোল) পৰিৱেশন কৰে বাবে ই কোৰ্কা ঢুলীয়া। কোৰ্কা ঢুলীয়া অনুষ্ঠানত ঘাইকৈ বুৰঞ্জীমূলক, পৌৰাণিক, নতুবা সামাজিক নাটক লোক-ভাষাত ৰচনা কৰি পৰিৱেশন কৰা হয় যদিও কৌতুক অভিনেতাসকলে উপস্থিত বুদ্ধি খটুৱাই থিতাতে সংলাপ ৰচনা কৰি দৰ্শকক আনন্দৰ খোৰাক জোগায়। এই সমগ্ৰ অনুষ্ঠানটি পৰিৱেশনৰ বাবে ছয় (৬) ৰ পৰা দহ (১০) ঘণ্টা সময়ৰ প্ৰয়োজন হয়। এই অনুষ্ঠানটো সাধাৰণতে ধৰ্মীয় বা মাংগলিক অনুষ্ঠানৰ লগত সংগতি ৰাখি পৰিৱেশন কৰা হয়। এই গৱেষণা পত্ৰৰ জৰিয়তে কোৰ্কা ঢুলীয়া অনুষ্ঠানত প্ৰতিফলিত হোৱা লোক সমাজ আৰু সংস্কৃতিৰ (ৰাভা সমাজ) আলোকপাত কৰা হ'ব। এই গৱেষণা প্ৰত্ৰখন ঘাইকৈ ক্ষেত্ৰ অধ্যয়নৰ ভিত্তিত প্ৰস্তুত কৰা হ'ব। ●●●●

# অসমৰ লোকনাট্যানুষ্ঠান 'ভাৰীগান': পৰম্পৰা আৰু পৰিবৰ্তন

**মোঃ আব্দলু মজিদ সেখ**
গৱেষক ছাত্ৰ, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়
**আবু শ্বামা আহমেদ**
সহকাৰী অধ্যাপক, শিক্ষা বিভাগ
দলগোমা আঞ্চলিক মহাবিদ্যালয়,

লোকনাট্য হ'ল লোক-সংস্কৃতিৰ অন্তৰ্গত লোকসাহিত্যৰ এক অন্যতম বিভাগ। উন্মুক্ত আসৰত লোকাশ্ৰিত কাহিনীৰ আধাৰত মৌখিকভাৱে প্ৰচাৰিত নৃত্য-গীত আৰু সংলাপৰ যোগেদি যি নাট অভিনীত হয়, তাকেই লোকনাট্য বুলিব পাৰি। মানৱীয় অনুভূতিক জগাই তুলি নান্দনিক আনন্দৰে জীৱন ভৰপূৰ কৰি তোলাই লোকনাট্যৰ উদ্দেশ্য।

লোকনাট্যসমূহৰ জন্মকাল সঠিককৈ নিৰ্ণয় কৰা টান যদিও প্ৰাচীন কালৰে পৰা বিশ্বৰ অন্যান্য প্ৰান্তৰৰ দৰে অসমতো একো একোটা ধৰ্মীয় উৎসৱক কেন্দ্ৰ কৰিয়েই লোকনাট্যসমূহৰ জন্ম হৈছিল। অৱশ্যে কিছুমান ধৰ্ম নিৰপেক্ষ লোকনাটো প্ৰচলিত হোৱা দেখা যায়। এনে ধৰ্মীয় আৰু ধৰ্ম-নিৰপেক্ষ লোকনাট্যানুষ্ঠান সমূহক বিভিন্নজনে বিভিন্ন ধৰণে ভাগ কৰিছে যদিও প্ৰধানকৈ ইয়াক তিনিটা ভাগত ভাগ কৰা দেখা যায়। যেনে—

১। নৃত্য-গীত প্ৰধান
২। অৰ্ধ-নাটকীয়
৩। যাত্ৰা

ওপৰোক্ত বিভাগৰে অন্তৰ্গত আমাৰ আলোচ্য অসমৰ এখন পৰম্পৰাগত লোকনাট্যানুষ্ঠান 'ভাৰীগান' অবিভক্ত গোৱালপাৰা জিলাৰ লগতে ইয়াৰ সীমামূৰীয়া দক্ষিণ কামৰূপ অঞ্চলত প্ৰচলিত এবিধ নৃত্য-গীত প্ৰধান লোকনাট। এই অনুষ্ঠানটো বিশেষকৈ পাতিৰাভাসকলৰ মাজত সৰ্বাধিক জনপ্ৰিয়। ভাৰীগানত প্ৰধানকৈ ৰামায়ণ আশ্ৰয়ী কাহিনী লৈ এজন মূল বা গীদালে হাতত চোঁৱৰ লৈ নাচি নাচি গীত গাই যায় আৰু পালিসকলে একে ঠাইতে থিয় হৈ খোল-তাল বজাই তেওঁৰ লগত সহযোগ কৰে। অৱেশ্য এটা কথা মনকৰিবলগীয়া যে বৰ্তমান যান্ত্ৰিক সভ্যতাৰ ব্যাপকতা, ধাৰক-বাহক সকলৰ অদূৰদৰ্শিতা, প্ৰতিকুল পৰিৱেশ আদিৰ ফলত প্ৰাচীন অসমৰ লোকনাট্যবোৰৰ কিছুমান কালৰ গৰাহত লুপ্ত হৈছে নাইবা ব্যাপক পৰিৱৰ্তনৰ ফলত কিছুমানৰ প্ৰাচীন ৰূপ হেৰুৱাইছে। সেয়েহে ইয়াৰ প্ৰকৃত স্বৰূপ উদ্ধাৰ কৰিবলৈ হ'লে ইয়াৰ অধ্যয়ন তথা গৱেষণা অত্যন্ত অপৰিহাৰ্য বিষয় হৈ পৰিছে।

পৰম্পৰাগত ভাৰীগানো ইয়াৰ উৰ্দ্ধত

নহয়। সময়ৰ লগত খোজ মিলাই চলিব নোৱাৰা ভাৰীগানতো বাদ্য-যন্ত্ৰ, গীত-নৃত্য, সংলাপ, সাজপাৰ, পৰিৱেশন পদ্ধতি আদি সকলোতে কম-বেছি পৰিমাণে পৰিৱৰ্তন তথা উত্তৰণ লক্ষ্য কৰা যায়। এনে পৰম্পৰা তথা পৰিৱৰ্তন ভাৰীগানত কিমানদূৰ পৰিলক্ষিত হৈছে, তাকেই আমাৰ পৰৱৰ্তী আলোচনাত বিশ্লেষণাত্মক দৃষ্টিভংগীৰে পোহৰলৈ অনাৰ প্ৰয়াস কৰা হ'ব।●●●●

# অসমৰ লোকনাট্য অনুষ্ঠান ভাৰীগান আৰু পুতলা নাচৰ এক তুলনামূলক আলোচনা

ড° চৈয়দা নচিফা ইছলাম ৰাজবংশী
সহকাৰী অধ্যাপিকা
ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়

লোকনাট্য হৈছে লোক সম্পদৰ এক শক্তিশালী অংগ। থলুৱা লোকনাট্য অনুষ্ঠানসমূহক লোক সংস্কৃতিৰ ঐশ্বৰ্যশালী সম্পদ হিচাপে গ্ৰহণ কৰিব পাৰি। এই থলুৱা নাট্য অনুষ্ঠানসমূহৰ মাজেৰে নানা জাতি, উপজাতিৰ সাংস্কৃতিক সমন্বয়ৰ প্ৰকাশ পাই আহিছে। অসম দেশ লোক নাট্যৰ সম্ভাৰেৰে ভৰপূৰ। গৱেষক, পণ্ডিত সমালোচকসকলে আলোচনা আৰু বিশ্লেষণৰ সুবিধাৰ বাবে অসমৰ লোক নাট্যসমূহক সাধাৰণতে দুই ভাগত ভাগ কৰি লোৱা দেখা যায়।

(ক) পৰিপূৰ্ণ লোক নাট্য আৰু

(খ) অৰ্দ্ধনাটকীয় লোকনাট্য

পৰিপূৰ্ণ লোক নাট্যৰ ভিতৰত পুতলা নাচ, ঢুলীয়া, ভাৰীগান, কুশান গান, খুলীয়া ভাউৰীয়া আদি লোক নাট্যানুষ্ঠানক অন্তৰ্ভূক্ত কৰা দেখা গৈছে; কিয়নো গীত, নৃত্য, বাদ্য, অভিনয় এই উপাদান চাৰিটা উল্লিখিত নাট্যানুষ্ঠান কেইটিত প্ৰধানভাৱে সংযুক্ত।

আমাৰ গৱেষণা পত্ৰৰ আলোচ্য বিষয় 'ভাৰীগান' আৰু 'পুতলা নাচ' অসমৰ প্ৰাচীন লোকধৰ্মী নাট্যানুষ্ঠান। ভাৰীগান বা ভাওগান অবিভক্ত গোৱালপাৰা জিলাৰ এটি উল্লেখযোগ্য লোক নাট্যানুষ্ঠান। লোকনাট্যৰ সৌষ্ঠৱ সাধনত ভাৰীগানৰ যথেষ্ট অৰিহণা আছে। সেইদৰে পুতলা নাচ পৃথিৱীৰ অতি প্ৰাচীন লোকনাট্য অনুষ্ঠান। পুতলা নাচ অসমৰ এক লোকপ্ৰিয় অনুষ্ঠান। আমাৰ গৱেষণা পত্ৰত এই দুয়োটা লোক নাট্যানুষ্ঠানৰ এটি তুলনামূলক আলোচনা কৰিবলৈ চেষ্টা কৰা হ'ব। ●●●●

# গোৱালপাৰাৰ লোক নাট্যানুষ্ঠান ভাৰীগানঃ এটি আলোকপাত

শ্ৰীপ্ৰণীতা মহন্ত
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
শ্ৰীদীপিকা ৰাভা
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
বিকালী মহাবিদ্যালয়, ধূপধৰা

ভাৰতবৰ্ষৰ উত্তৰ পূবত অৱস্থিত অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। অসম সাংস্কৃতিক দিশত অতি চহকী। আমাৰ সাংস্কৃতিক জগতখনলৈ একো একোটা অঞ্চলৰ বিশেষ বৰঙণি থকা দেখা যায়। অসমৰ পশ্চিমত অৱস্থিত গোৱালপাৰা তেনে এখন সাংস্কৃতিক দিশত ঐতিহ্যশালী জিলা। গোৱালপাৰাৰ দক্ষিণ অঞ্চলৰ সু-প্ৰসিদ্ধ লোক নাট্যানুষ্ঠান হৈছে ভাৰীগান। অভিনয় কম কিন্তু সংগীত প্ৰধান এই লোক নাট্যানুষ্ঠানটিত সাধাৰণতে চৰিত্ৰসমূহে বিচিত্ৰ ধৰণৰ পোচাক পাতি পিন্ধাৰ উপৰি মুখা পিন্ধি অভিনয় কৰে। ভাৰীগানৰ এজন প্ৰধান ভাউৰীয়া আৰু কেইবাজনো সহযোগী কলা-কুশলী থাকে। ভাৰীগানৰ দলসমূহে বিশেষভাৱে ৰামায়ণৰ কাহিনীক বিষয়বস্তু হিচাপে লৈ অভিনয় প্ৰদৰ্শন কৰে। বহুৱা চৰিত্ৰ সদৃশ 'কেতুৱা' চৰিত্ৰটো হাস্যৰস সৃষ্টি কৰিবলৈ ভাৰীগানত অৱতাৰণা কৰা হয়। দক্ষিণ গোৱালপাৰাৰ লোক জীৱনৰ পৰা উৎপত্তি আৰু পৰিপুষ্টি লাভ কৰা এই লোক নাট্যানুষ্ঠানটিয়ে অসমীয়া লোক নাট্যানুষ্ঠানলৈ এক গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছে। গোৱালপাৰা অঞ্চলৰ পাতিৰাভাসকলে এই অনুষ্ঠানটিৰ পালন-পোষণ কৰি আহিছে যদিও বৰ্তমান অন্যান্য জনগোষ্ঠীয়েও ভাৰীগানৰ চৰ্চা কৰিবলৈ লৈছে। ভাৰীগানে সাম্প্ৰতিক মিলাপ্ৰীতি অক্ষুন্ন ৰখাৰ লগতে জনসাধাৰণক বিমল আনন্দ দিয়ে। "গোৱালপাৰাৰ লোকনাট্যানুষ্ঠান ভাৰীগান ঃ এটি আলোকপাত" শীৰ্ষ নামেৰে এই আলোচনা পত্ৰখন প্ৰস্তুত কৰা হৈছে। আলোচনা পত্ৰখন প্ৰস্তুত কৰোতে বৰ্ণনাত্মক পদ্ধতি লগতে প্ৰাথমিক আৰু দ্বিতীয় তথ্য সমল ব্যৱহাৰ কৰা হৈছে। এই অধ্যয়নৰ জৰিয়তে গোৱালপাৰা অঞ্চলত ভাৰীগান লোকনাট্যানুষ্ঠানৰ চমু আভাস দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। এই আলোচনা পত্ৰৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে গোৱালপাৰা অঞ্চলৰ প্ৰচলিত ভাৰীগানক ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিচয় কৰাই দিয়া। আমাৰ এই প্ৰচেষ্টাই নৱ প্ৰজন্ম তথা গৱেষণা কৰ্মত জড়িত ব্যক্তিক নতুন পথৰ সন্ধান দিব বুলি আশা কৰা হৈছে। ●●●●

# ভাৰীগানৰ উদ্ভৱ আৰু বিকাশ এক বিশ্লেষণাত্মক অধ্যয়ন

কণমণি কলিতা
নিৰুপা ৰায়
স্নাতকোত্তৰ চূড়ান্ত পৰীক্ষাৰ্থী, বিকালী কলেজ

অসমৰ লোক পৰিৱেশ্য কলাৰ অন্যতম উপাদান লোকনাট্য হৈছে এটি গুৰুত্বপূৰ্ণ আৰু বৈশিষ্ট্যময় লোকনাট্যানুষ্ঠান।

অসমৰ এনে বৈশিষ্ট্যপূৰ্ণ লোকনাট্যানুষ্ঠান সমূহৰ ভিতৰত বিশেষভাৱে 'ভাৰীগান' উল্লেখযোগ্য।

প্ৰাক শংকৰী যুগৰ পৰাই প্ৰচলিত হৈ অহা অসমৰ লোকনাট্যানুষ্ঠান যেনে— পুতলা নাচ, ওজাপালি, খুলীয়া ভাউৰীয়া আৰু কুশান গানৰ সমধৰ্মী নৃত্য-গীত আৰু অভিনয় প্ৰধান এক শ্ৰেণীৰ লেখত ল'বলগীয়া লোকনাট্যানুষ্ঠান হ'ল ভাৰীগান। এই লোকনাট্যানুষ্ঠান অসমৰ দক্ষিণ কামৰূপ আৰু গোৱালপাৰা জিলাৰ দক্ষিণ পশ্চিম অঞ্চল আৰু অসম মেঘালয় সীমান্তত অৱস্থিত ৰাভা অধ্যুষিত অঞ্চলত প্ৰচলিত হৈ আহিছে। লোক সমাজত পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা লোকনাট্যানুষ্ঠান হিচাপে ভাৰীগানৰ উৎপত্তিৰ সঠিক সময় নিৰ্ণয় কৰা সম্ভৱপৰ নহয়। ভাৰীগানৰ উৎপত্তিৰ উৎস সৰ্বভাৰতীয় কথকতা পৰম্পৰা যদিও এই শ্ৰেণীৰ নাট্যানুষ্ঠানৰ কোনো প্ৰাচীন লিখিত তথ্য ভাৰীগান প্ৰচলিত অঞ্চলসমূহত পোৱা নাযায়। সাধাৰণতে ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ প্ৰভাৱৰ ফলস্বৰূপে প্ৰচলিত হৈ অহা পুৰাণ কথা, ৰাম কথা কাহিনীৰ পৰাই ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্ৰচলিত ওজাপালি, ভাৰীগান, খুলীয়া ভাউৰীয়া, কুশান গান আদি অসমত ব্যাপক ভাবে প্ৰচলন হৈ আহিছে।

'ভাৰীগান'ৰ প্ৰধান বৈশিষ্ট্য হৈছে মুখাৰ ব্যৱহাৰ। এই মুখাবোৰ কঠাল, আম, গমাৰি আদি কাঠেৰে নিৰ্মিত। অৱশ্যে মুখা ব্যৱহাৰ 'ভাৰীগান'ৰ অভিনয়ৰ অপৰিহাৰ্য অংগ বুলিব নোৱাৰি যিহেতু মুখা ব্যৱহাৰ নকৰাকৈও 'ভাৰীগান' ৰ অভিনয় হ'ব পাৰে। 'ভাৰীগান'ৰ একোটা দলত অতি কমেও ২০/২৫ জন ভাউৰীয়াৰ প্ৰয়োজন। ইয়াত সংগত কৰা বাদ্যযন্ত্ৰ সমূহৰ ভিতৰত খোল আৰু তালেই প্ৰধান। 'ভাৰীগান' নাটৰ প্ৰদৰ্শনৰ মূল উদ্দেশ্য হৈছে লোক সমাজ ব্যৱস্থাত লোকশিক্ষা আৰু আধ্যাত্মিক শিক্ষা প্ৰদান।

ভাৰতীয় লোকনাট্য পৰম্পৰা সমূহৰ ভিতৰত অসমত প্ৰচলিত নাট্যানুষ্ঠানসমূহ বিভিন্ন নামেৰে জনাজাত। ভাওৰীয়া নামৰ ভাওনাৰ সংযোজিত ভাগৰ পৰাই গোৱালপাৰা আৰু দক্ষিণ কামৰূপ জিলাৰ বিভিন্ন অঞ্চলত প্ৰচলিত ভাৰীগানৰ উৎপত্তি হৈছে বুলি ক'ব খোজে। অসম মেঘালয় সীমামূৰীয়া গোৱালপাৰা জিলাৰ ৰাভা অধ্যুষিত গাঁওসমূহত প্ৰচলিত ভাৰীগান 'ভাৰায়গান' নামেৰে জনপ্ৰিয়। ভাৰীগানৰ মুখা সমূহ সম্পূৰ্ণ কাঠেৰে সঁজা

হেতুকে ওজন অধিক। মুখা সমূহৰ উপৰিও অইন লাগতীয়াল অস্ত্র-শস্ত্র, পোচাক-পাতি, আ-অলংকাৰ, খোল, তাল, গদা, ধনুকাৰ, ইত্যাদি ভাৱ বান্ধি নি নাট পৰিৱেশন কৰে। ৰাভা সমাজত ভাৱ বন্ধা ব্যক্তিসকলক 'ভাৱী' বোলে এই 'ভাৱী'ৰ পৰাই ভাৱীগান নামকৰণ কৰা হৈছে।

'ভাৱীগান'ৰ উদ্ভৱ আৰু বিকাশ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণা পত্ৰখন প্ৰস্তুত কৰোতে মুখ্য আৰু গৌণ উৎসৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে। মুখ্য উৎসৰ ভিতৰত ভাৱীগানৰ ওজা, দলপতি আৰু অন্যান্য কলাকুশলীসকলৰ পৰা মৌখিক সাক্ষাৎকাৰ গ্ৰহণ কৰি তথ্য সংগ্ৰহ কৰা হৈছে। গৌণ উৎসৰ ভিতৰত ভাৱীগানৰ বিষয়বস্তুৰ ওপৰত ৰচিত গ্ৰন্থ, আলোচনী, স্মৃতিগ্ৰন্থ আদিত প্ৰকাশিত তথ্যৰ পৰা সংগ্ৰহ কৰা হৈছে।

শেষত মুখ্য আৰু গৌণ উৎসৰ পৰা সংগ্ৰহ কৰা তথ্যসমূহ বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰি গৱেষণা পত্ৰখন যুগুত কৰাৰ প্ৰয়াস কৰা হ'ব। ●●●●

# ভাৱীগান আৰু খুলীয়া ভাউৰীয়াঃ এটি আলোচনা

**তৰুলতা ডেকা**
গৱেষক ছাত্ৰী, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়

ভাৱীগান দক্ষিণ গোৱালপাৰা অঞ্চলৰ পাতিৰাভা সকলৰ মাজত প্ৰচলিত এটি জনপ্ৰিয় লোকনাট্যানুষ্ঠান। গোৱালপাৰাৰ উত্তৰ খণ্ডত ভাৱীগানক ভাওগান বুলিও জনা যায়। এইবিধ অনুষ্ঠানত মুখাৰ ব্যৱহাৰ অপৰিহাৰ্য হোৱাৰ বাবে ইয়াৰ আন এটা নাম মুখৰা গান। ভাৱীগানত ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ কাহিনী পৰিৱেশন কৰা হয়।

খুলীয়া ভাউৰীয়া দৰং জিলাৰ এক ঐতিহ্যমণ্ডিত সম্পূৰ্ণ লোকনাট্যানুষ্ঠান। খোল বাদন এই অনুষ্ঠানৰ এক অপৰিহাৰ্য অঙ্গ। অনুষ্ঠানৰ আৰম্ভণিতে খুলীয়াই খোল ঘাটেনী বাদি মাৰে। তাৰ পিছত ওঝাজনে এখন হাতত চোঁৰৰ আৰু আনখন হাতত এখন ৰুমাল লৈ খলাত নাচি নাচি প্ৰৱেশ কৰে। ওঝাই পদেৰে নাটকৰ কাহিনীভাগৰ আগজাননী, কাহিনীৰ বিৱৰণ আদি একাদিক্ৰমে কৈ গৈ থাকে। এই অনুষ্ঠানত নাটকৰ বিষয়বস্তু ৰামায়ণ, মহাভাৰত অথবা পুৰাণৰ পৰা লোৱা হয়।

পৰম্পৰা সদায় পৰিৱৰ্তনশীল। সময়ৰ অগ্ৰগতিৰ লগে লগে লোকনাট্যানুষ্ঠান সমূহতো পৰিৱৰ্তনৰ আচোঁৰ পৰা পৰিলক্ষিত হৈছে। দৰঙৰ খুলীয়া ভাউৰীয়া লোকনাট্যানুষ্ঠানতো নতুনত্বৰ প্ৰভাৱ পৰিব ধৰিছে।

গতিকে পৰিৱৰ্তী পৰ্যায়ৰ গৱেষণা গ্ৰন্থখনত ভাৱীগান আৰু খুলীয়া ভাউৰীয়াৰ সম্যক আলোচনা এটি দাঙি ধৰি দৰঙী খুলীয়া ভাউৰীয়াৰ কোন কোন দিশত পৰিৱৰ্তনৰ প্ৰভাৱ পৰিলক্ষিত হৈছে সেই বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব। ●●●●

# ভাৰীগানত ব্যৱহৃত মুখা ঃ এক অধ্যয়ন

মোঃ ৰুকুনুদ্দিন আহমেদ
এম.ফিল. গৱেষক বিদ্যাৰ্থী
অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সংস্কৃতিৰ অন্যতম প্ৰধান শাখা লোকসংস্কৃতিয়ে জাতিবিশেষৰ পৰম্পৰাগত লোকগীত, লোককথা, প্ৰবাদ-প্ৰবচন, লোক শিল্প-কলা, লোকবিশ্বাস, লোকৰীতি, লোকক্ৰীড়া, লোক-উৎসৱ, লোকসংগীত, লোক নাট্যাভিনয়, লোকনৃত্য, লোকবাদ্য আদি আটাইবোৰকে সামৰি লয়। পণ্ডিতসকলে লোকসংস্কৃতিক মূলতঃ চাৰিটা ভাগত ভগাইছে—মৌখিক সাহিত্য, ভৌতিক সংস্কৃতি, সামাজিক লোকপ্ৰথা, লোক-পৰিৱেশ্য কলা। ইয়াৰে লোক-পৰিৱেশ্য কলাই লোকসমাজত পৰম্পৰাগতভাৱে প্ৰচলিত গীত-মাত, নৃত্য-নাট্য আদিক বুজায়। বিশাল-বিচিত্ৰ দেশ ভাৰতবৰ্ষৰ অবিচ্ছেদ্য অংগ বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিৰ সমন্বয়থলী - অসম ৰাজ্যখন। অসমৰ ঐশ্বৰ্যশালী আৰু বৈচিত্ৰপূৰ্ণ সংস্কৃতিৰ পথাৰখন চহকী কৰাত অসমৰ পৰম্পৰাগত লোকনাট্যানুষ্ঠানসমূহৰ ভূমিকাও অনস্বীকাৰ্য। অসমৰ অবিভক্ত গোৱালপাৰা, কামৰূপ আৰু দৰং জিলা লোক নাট্যৰ ভূ-স্বৰ্গস্বৰূপ। সংস্কৃতিৰ লীলাভূমি গোৱালপাৰা অঞ্চলত প্ৰাচীন কালৰে পৰা ভাৰীগান, কুশানগান, মাৰেগান বা পদ্মপুৰাণৰ গান, বাঁশ পূজা, গোৱালিনী যাত্ৰা, হুদুম পূজা, কাতিপূজা, ভাসানযাত্ৰা, নয়ানশৰী, ময়নামতীৰ গান, মনাই যাত্ৰা, এউৰী গীত, সোণাৰায় গীত, চাৰ-যুগী গান, হাচান-হোচেনৰ পালা, সত্যপীৰ পালা আদি নাটকীয় আৰু অৰ্ধ-নাটকীয় লোকনাট্যানুষ্ঠান তথা লোক পৰিৱেশ্যকলা প্ৰচলিত হৈ আহিছে।

অসমৰ পৰম্পৰাগত লোকনাট্যানুষ্ঠান সমূহৰ ভিতৰত অন্যতম হৈছে— দক্ষিণ-পূব গোৱালপাৰা আৰু দক্ষিণ কামৰূপৰ সীমামূৰীয়া অঞ্চলত বসবাস কৰা মূলতঃ পাতিৰাভা জনজাতিৰ মাজত প্ৰচলিত ৰামায়ণকেন্দ্ৰিক ধৰ্মমূলক লোকনাট্যানুষ্ঠান—ভাৰীগান। অবিভক্ত গোৱালপাৰা অঞ্চলত প্ৰচলিত মহাকাব্য অনাশ্ৰয়ী ওজাপালিৰ আঞ্চলিক ৰূপ 'পদ্মাপুৰাণ' গানৰ আৰ্হিত এইবিধ পূৰ্ণাংগ লোকনাট্যানুষ্ঠানৰ জন্ম হোৱা বাবে ভাৰীগানক সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ ধাৰক-বাহক- ওজাপালিৰ পৰা উদ্ভৱ হোৱা বুলিব পাৰি। বিভিন্ন দিশৰ পৰা স্বকীয় বৈশিষ্ট্যপূৰ্ণ এই 'সংস্কৃতি নিৰ্দেশক' ভাৰীগানৰ এক গুৰুত্বপূৰ্ণ বিচাৰ্য বিষয় হৈছে— এই লোকনাট্যানুষ্ঠানৰ ভাৱৰীয়াসকলে ব্যৱহাৰ তথা পৰিধান কৰা ডাঙৰ আকৃতিৰ, গধুৰ, ৰং-বিৰঙৰ কাঠৰ মুখাবোৰ। ভাৰীগান পৰিৱেশনৰ বাবে অপৰিহাৰ্য উপকৰণস্বৰূপ এই মুখাৰ বিষয়ে শৈলেন ভৰালীয়ে কৈছে—"চৰিত্ৰসমূহে ব্যৱহাৰ কৰা মুখা অনুষ্ঠানটোৰ প্ৰধান আকৰ্ষণ;কেন্দ্ৰীয় চৰিত্ৰ ৰাম আৰু সীতাৰ বাহিৰে ৰাৱণ, হনুমান প্ৰমুখ্যে সৰহভাগ চৰিত্ৰই মুখা ব্যৱহাৰ কৰে। কাঠেৰে নিৰ্মিত এই মুখা পিন্ধিয়েই চৰিত্ৰসমূহে মঞ্চত প্ৰৱেশ কৰে (অসমীয়া

লোক-নাট্য পৰম্পৰা,৩৭)।”

সমগ্ৰ বিশ্বৰ দৰে অসমতো প্ৰাচীন কলাৰ পৰা মুখাৰ নিৰ্মাণ আৰু ব্যৱহাৰৰ পৰম্পৰা প্ৰচলিত আছে। ভাৰীগান, খুলীয়া ভাউৰীয়া, খুলীয়া ভাউৰীয়া আদি অসমৰ প্ৰাচীন লোকনাট্যানুষ্ঠানৰ লগতে বৰ্তমানলৈকে প্ৰচলিত মহহো গীত, অংকীয়া ভাওনা, ৰাসলীলা আনকি প্ৰয়োজনসাপেক্ষে আধুনিক নাট্যানুষ্ঠানতো বিভিন্ন উপলক্ষত মুখাৰ ব্যৱহাৰ কৰাটো এটি লক্ষ্যণীয় বৈশিষ্ট্য। ভাৰীগানত মুখাৰ ব্যৱহাৰে মুখা আৰু মুখ শিল্পৰ জন্ম, ক্ৰমবিকাশ আৰু বৰ্তমান অৱস্থা সম্পৰ্কে আলোচনাৰ বাবে চিন্তাৰ খোৰাক যোগায়। তদুপৰি উক্ত লোকনাট্যানুষ্ঠানবিধত মুখাৰ অপৰিহাৰ্য ব্যৱহাৰে মুখাৰ প্ৰস্তুত প্ৰণালী, মুখা ব্যৱহাৰ সম্পৰ্কীয় বাধা-নিষেধ আদিক ধৰি নানান আনুষংগিক কথাৰ জৰিয়তে অসমীয়া ভৌতিক সংস্কৃতি আৰু সামাজিক লোক প্ৰথাৰ লগত সম্পৰ্কিত কেতবোৰ উজ্বল দিশ উন্মোচন কৰাৰ থল আছে। এই সকলো কথা বিবেচনা কৰি আমাৰ প্ৰস্তাৱিত গৱেষণা-পত্ৰখনত ভাৰীগানত ব্যৱহৃত মুখা সম্পৰ্কে নতুন ধৰণে বিস্তৃতভাৱে আলোচনা কৰা হ'ব। গৱেষণা-পত্ৰখন প্ৰস্তুত কৰোঁতে প্ৰাসংগিক গ্ৰন্থ অধ্যয়নৰ লগতে দক্ষিণ কামৰূপৰ বন্দাপাৰা আৰু পূব দক্ষিণ গোৱালপাৰাৰ কোঠাকুঠি (হীৰাপাৰা, বেংডোবা) অঞ্চলত ক্ষেত্ৰ অধ্যয়ন কৰি মৌলিক চিন্তাৰ সহযোগত আলোচ্য বিষয় উপস্থাপন কৰা হ'ব।●●●●

# গোৱালপৰীয়া লোকনাট্যানুষ্ঠানত খাৰাতাল গানঃ এটি চমু আলোচনা

ড° তেজস্বিনী নাথ
কল্পনা চাওলা মেমোৰিয়েল একাডেমী
গোৱালপাৰা।

অবিভক্ত গোৱালপাৰা জিলাখন লোকসাহিত্যৰ দিশত অতি চহকী । খাৰাতাল গান এই বৃহৎ অঞ্চলৰ অতি জনপ্ৰিয় আৰু আদৰৰ লোকনাট্যানুষ্ঠান । লোকসমাজত চলি অহা বিশ্বাস অনুসৰি গীতাল, দোৱাৰী আৰু চুবুৰীয়ে পালিৰ সহযোগত নৃত্য, গীত, মুদ্ৰা আৰু সংলাপৰ লগত তাল ৰাখি বা তাল মিলাই ঘূৰি ঘূৰি গায় বাবে এই গানক খাৰাতাল গান বোলে । বিভিন্ন নৃত্য-গীতৰ মাজেৰে বিভিন্ন কাহিনীৰ বৰ্ণনা কৰা বাবে এই লোকনাট্যানুষ্ঠানৰ নামৰ পিছত গান অৰ্থাৎ খাৰাতাল গান নামটো ব্যৱহাৰ হৈ আহিছে । অৱশ্যে বৰ্তমান সময়ত এই লোকনাট্য দল সমূহত নাটিকাৰ প্ৰচলন মন কৰিবলগীয়া । খাৰাতালৰ নাটিকাত কোনো এটা আখ্যানক চমুকৈ নৃত্য আৰু মুদ্ৰাৰ দ্বাৰা পৰিৱেশন কৰা দেখা যায় । খাৰাতালৰ আৰম্ভনিৰ পৰা শেষলৈ অৰ্থাৎ বন্দনাৰ পৰা আৰম্ভ কৰি দিশা, পয়াৰ, ঘাঁ, চং বা ভাঁও, মালসি, শ্লোক, সাথৰ, নাটিকা আদি কৰি বিভিন্ন দিশ সমূহ আলোচ্য পত্ৰখনত বিস্তৃত ভাৱে দাঙি ধৰিবলৈ যত্ন কৰা হব । দৰ্শকৰ মনোৰঞ্জনৰ বাবে আৰু আকৰ্ষণীয়তা বৃদ্ধিৰ বাবে এই নাট্যানুষ্ঠানত বহিৰঙ্গ গীতৰ মাত্ৰাধিক্য ঘটা দেখা যায় । গোৱালপৰীয়া লোকসমাজত খাৰাতাল গানৰ ব্যাপক জনপ্ৰিয়তা তথা প্ৰভাৱ মন কৰিবলগীয়া । আলোচনা পত্ৰখনত খাৰাতাল সম্পৰ্কে আলোচনা কৰাৰ লগতে লোকনাট্যানুষ্ঠানত জড়িত লোকজীৱনৰ বিভিন্ন দিশ সামৰিবলৈ যত্ন কৰা হব ।

# দক্ষিণ কামৰূপ অঞ্চলত প্ৰচলিত ভাৰীগানৰ এক সমীক্ষাত্মক অধ্যয়ন

**তুনুকা ৰাভা**
অংশকালীন অধ্যাপিকা
বিকালী মহাবিদ্যালয়, ধূপধৰা

দক্ষিণ কামৰূপ অঞ্চলৰ ঘাইকৈ বন্দাপাৰা, ছৈকাটা, জাৰীহাট, ৰাজাপাৰা ইত্যাদি অঞ্চলত ১৭৭০ ইং চনৰ পৰাই ভাৰীগানৰ প্ৰচলন আছিল যদিও সম্প্ৰতি বন্দাপাৰা ভাৰীগান দলৰ বাহিৰে অইন অঞ্চলৰ ভাৰীগান দলসমূহ বিলুপ্তি ঘটিছে।

ভাৰীগান নাটকৰ বিষয়বস্তু ঘাইকৈ ৰামায়ণ, মহাভাৰত আৰু পুৰাণ কথাৰ আধাৰত ৰচিত। বন্দাপাৰা ভাৰীগান দলে ভাৰীগান নাট্যনুষ্ঠানৰ মূল নাটক হিচাপে ৰামায়ণৰ আধাৰত ৰচিত 'ৰাৱণ বধ' নামৰ নাটখন প্ৰদৰ্শন কৰি আহিছে।

ভাৰীগান দলত এজন ওজা, ৫/৭ জন পালি, অভিনেতা আৰু অন্যান্য কলা-কুশলীসকল থাকে। ভাৰীগানৰ ভাষা বঙালী মিশ্ৰিত অসমীয়া ভাষা যদিও কিছুমান চৰিত্ৰৰ মুখত স্থানীয় লোকভাষাৰ প্ৰয়োগ মন কৰিবলগীয়া। তদুপৰি ভাৰীগানৰ নৃত্য-গীত, সাজপাৰ, বাদ্যযন্ত্ৰ আৰু অন্যান্য সামগ্ৰীৰ ব্যৱহাৰে ভাৰীগানক অসমৰ লোকনাট্যসমূহৰ ভিতৰত এক ব্যতিক্ৰমী লোকনাট্য হিচাপে পৰিচয় দি আহিছে।

**উদ্দেশ্য ঃ**

পৰম্পৰাগতভাৱে প্ৰচলিত হৈ অহা ভাৰীগানৰ বৰ্তমানলৈ গৱেষণা আৰু বিতং অধ্যয়ন হোৱা নাই। সেয়েহে অসংৰক্ষিত অৱস্থাত থকা ভাৰীগানৰ সমলসমূহ সংগ্ৰহ কৰি প্ৰণালীবদ্ধকৰণৰ জৰিয়তে ভাৰীগান নাট্যানুষ্ঠানক আৰু অধিক গতিশীল আৰু জনপ্ৰিয় কৰি অসমৰ লোকনাট্যৰ ভৰাঁল চহকী কৰাই অধ্যয়নৰ ঘাই উদ্দেশ্য।

**পদ্ধতি ঃ**

এই গৱেষণা পত্ৰখন মুখ্য আৰু গৌণ উৎসৰ পৰা তথ্য সংগ্ৰহ কৰি প্ৰস্তুত কৰাৰ দিহা কৰা হৈছে। মুখ্য উৎসৰ ক্ষেত্ৰত বন্দাপাৰা ভাৰীগান দলৰ ওজা আৰু অন্যান্য কলা-কুশলী সকলৰ পৰা তথ্য সংগ্ৰহ কৰা হৈছে। গৌণ উৎসৰ ভিতৰত ভাৰীগান সম্পৰ্কীয় প্ৰকাশিত গ্ৰন্থ আলোচনী আৰু স্মৃতি গ্ৰন্থৰ পৰা সংগৃহীত তথ্য যুগুতাই গৱেষণা পত্ৰখন প্ৰস্তুত কৰা হ'ব।

**সূচক শব্দ ঃ** ভাৰীগান, বন্দাপাৰা, দল, লোকনাট্য, নৃত্য-গীত, সাজপাৰ, বাদ্যযন্ত্ৰ। ●●●●

# ভাৰীগান আৰু খুলীয়া ভাউৰীয়াৰ এটি পৰ্যালোচনা

**ৰীনা দাস**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
গোৱালপাৰা ছোৱালী মহাবিদ্যালয়
**দীপ্তি দাস**
সহকাৰী অধ্যাপিকা, ইতিহাস বিভাগ
দলগোমা আঞ্চলিক মহাবিদ্যালয়

লোকনাট্য লোকসংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। কোনো এক ভূ-খণ্ডৰ অন্তৰ্গত গাঁও, চহৰ-নগৰ আদিত বাস কৰা জনাসাধাৰণৰ জীৱন পদ্ধতিয়েই হ'ল লোক সংস্কৃতি। ৰিচাৰ্ড এম. দৰচনে লোক সংস্কৃতি আৰু লোক জীৱন অধ্যয়নৰ চাৰিটা ক্ষেত্ৰ দেখুৱাইছে। ইয়াৰে চতুৰ্থ ক্ষেত্ৰটো হ'ল লোক পৰিৱেশ্য কলা।

অসম লোক পৰিৱেশ্য কলাত চহকী। লোক পৰিৱেশ্য কলাক লোক সংগীত আৰু লোকনাট্য— এই দুভাগত ভগোৱা হৈছে।

গীত-নৃত্য-বাদ্য আৰু অভিনয়ৰ সমষ্টিয়েই হ'ল লোকনাট্য। লোকনাট্যৰ সৃষ্টিৰ মূলতে আছে বিভিন্ন ধৰ্মীয় কৃত্য আৰু উৎসৱ-অনুষ্ঠান। অনুষ্ঠানটিত এজন বা একাধিক কথক বা গায়কে বা আবৃতিকাৰে বিভিন্ন গীত, নৃত্য আৰু বাদ্যযন্ত্ৰৰ সহায়ত কাহিনীভাগ বৰ্ণনা কৰাৰ লগতে ব্যাখ্যা কৰি অভিনয় কৰি লোক মনোৰঞ্জনৰ ব্যৱস্থা কৰে।

অসমীয়া লোকনাট্যৰ ভিতৰত পুতলা নাচ, ওজাপালি, ঢুলীয়া ভাও, খুলীয়া ভাউৰীয়া, ভাৰীগান, বাউল যাত্ৰা, কৃষ্ণলীলা, গোৱালিনী যাত্ৰা, ভাসান যাত্ৰা আদি উল্লেখযোগ্য।

উল্লিখিত অনুষ্ঠানৰ অন্তৰ্গত দুটি অনুষ্ঠান হ'ল ভাৰীগান আৰু খুলীয়া ভাউৰীয়া।

অসমীয়া সংস্কৃতিলৈ বৰঙণি আগবঢ়োৱা জন-জাতীয় উপাদানসমূহৰ অন্তৰ্গত ভাৰীগান অন্যতম। এইবিধ পুৰণি লোক ভাওনা নামনি অসমৰ সম্পদ। গোৱালপাৰা জিলাৰ দক্ষিণ-পশ্চিম অঞ্চল, দক্ষিণ কামৰূপ আৰু অসম-মেঘালয় সীমান্তত থকা ৰাভাসকলৰ মাজত এই অনুষ্ঠানটি প্ৰচলিত হৈ আহিছে। ইয়াৰ কাহিনীভাগ ৰামায়ণ-মহাভাৰত, পুৰাণ আখ্যান আধাৰিত। ভাৰীগানৰ দল একোটি মূল বা গাঁৱলীয়া; পাইলা (পালি) বা দোহাৰীয়া আৰু ভাউৰীয়া কেইজনমানৰ সমষ্টি। মূলে সোঁহাতত চোৱৰ লৈ অংগী-ভংগী আৰু নৃত্যসহ গীত পদ পৰিৱেশন কৰে। পালীসকলে খোল আৰু তালৰ সংগত কৰি মূলে লগাই দিয়া গীত-পদ দোহাৰে। চৰিত্ৰবোৰে অভিনয় প্ৰদৰ্শন কৰে। চৰিত্ৰসমূহত সংলাপ দিয়া হয়। মাজে মাজে কেতুৱা নামৰ চৰিত্ৰটোৱে দৰ্শকক হাঁহিৰ খোৰাক যোগায়। মুখাৰ ব্যৱহাৰ ইয়াৰ এক বৈশিষ্ট্য।

খুলীয়া ভাউৰীয়া দৰং জিলা আৰু পূব কামৰূপত প্ৰচলিত লোক নাট্যানুষ্ঠান। নলবাৰী

আৰু বৰপেটা জিলাৰ কোনো কোনো অঞ্চলত এইবিধ লোক নাট্যানুষ্ঠান কিছুদিন আগলৈ চলি থকাৰ প্ৰমাণ পোৱা যায়। ইয়াৰ কাহিনী ৰামায়ণ, মহাভাৰত, বধকাব্য আশ্ৰিত। এই অনুষ্ঠানৰ লগত ভাৰীগানৰ সাদৃশ্য পোৱা যায়। অনুষ্ঠানটিৰ এটি দলত এজন ওজা থাকে। ওজাৰ সহায়ক ৰূপে ৪/৫ জনখোল বাদকো থাকে। ২/৩ জন তালুৱৈ থাকে। একোটি দলত ২০/২৫ জন ভাউৰীয়া, ২/৩ জন সহকাৰী থাকে। খোল বাদকৰ জৰিয়তে অনুষ্ঠানটি আৰম্ভ হয়।

বৰ্তমান ভাৰীগান মৃতপ্ৰায় বুলিব পাৰি। খুলীয়া ভাউৰীয়া অনুষ্ঠানটিও আগৰ তুলনাত কমি আহিছে আৰু থকা খিনিতো পৰিৱৰ্তনে দেখা দিছে।

এনেদৰে পৰিৱৰ্তন আৰু লুপ্ত হ'ব ধৰা নাট্যানুষ্ঠান দুটিক সংৰক্ষণ কৰাৰ লগতে সজীৱ ৰূপৰ প্ৰয়োজনীয়তা অনুভৱ কৰি আমাৰ গৱেষণা পত্ৰখনিত ভাৰীগান আৰু খুলীয়া ভাউৰীয়াৰ সম্পৰ্কে এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়োৱাৰ চেষ্টা কৰা হৈছে।●●●●

# গোৱালপৰীয়া লোকনাট্যানুষ্ঠান ভাৰীগানৰ এক চমু পৰ্য্যালোচনা

হীৰামণি দেৱী
অনুস্মিতা বায়ন

লোক পৰিৱেশ্য কলাৰ বিশিষ্ট উপাদানটো হৈছে লোকনাট্য। লোক নাটক নৃত্য-গীত-বাদ্যৰ ত্ৰিবেনী সংগম বুলি অভিহিত কৰিব পাৰি। লোকনাট্যৰ জন্ম প্ৰাচীন ধৰ্মীয় উৎসৱ-পাৰ্বণসমূহৰ পৰিণতিৰ ফল বুলি ক'ব পাৰি। মুঠৰ ওপৰত লোক নাট্যানুষ্ঠান লোকসমাজৰ আধাৰত গঢ় লৈ উঠা এক নাটকীয় শিল্পকৰ্ম।

অসমৰ লোকনাট্যসমূহৰ ভিতৰত ভাৰীগান এক অন্যতম লোক নাট্যধৰ্মী সাংস্কৃতিক অনুষ্ঠান। ভাৰীগানক কোনো কোনোৱে ভাওগান বুলিও কোৱা শুনা যায়। সেইফালৰ পৰা ভাৰী শব্দ ভাউৰীয়া শব্দৰেই বিকৃত ৰূপ বুলি ভাবিব পাৰি। ই মূলতঃ থলুৱা লোক কৃষ্টিমূলক অনুষ্ঠান হিচাপে গোৱালপৰীয়া লোক কৃষ্টিৰ এক গুৰুত্বপূৰ্ণ উপাদান হিচাপেও স্বীকৃতি লাভ কৰিছে। 'ভাৰীগান'ৰ বিষয়বস্তু সাধাৰণতে ৰামায়ণৰ পৰা গ্ৰহণ কৰা হয়। বিশেষকৈ সীতা হৰণ আৰু ৰাম-ৰাৱণৰ যুদ্ধই ঠাই পায়। আনহাতে এই ভাৰীগানত মুখাৰ ব্যৱহাৰ থকা দেখা যায়। এই গানত মূলৰ হাতত বেনা অথবা দোতৰাৰ পৰিবৰ্তে থাকে এডাল চোঁৰৰ। হাতত চোঁৰৰলৈ নাচি নাচি মূল মানুহজনে গীত গাই যায় আৰু পালিসকলে একে ঠাইতে থিয় হৈ খোল বজাই তেওঁৰ লগত সহযোগ কৰে। ইয়াত অংগী-ভংগীৰ স্থান আছে কিন্তু সংলাপৰ ব্যৱহাৰ কম। গীতৰ লগে লগে মূল বিষয়ৰ লগত সংগতি ৰাখি নাটকীয় ভংগী প্ৰদৰ্শন কৰে।

আমাৰ গৱেষণা পত্ৰত গোৱলপৰীয়া লোকনাট্যানুষ্ঠান ভাৰীগানৰ এক চমু পৰ্যালোচনা নামেৰে ভাৰীগানৰ ওপৰত এক আলোচনা আগবঢ়াবৰ যত্ন কৰা হৈছে। ●●●●